# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 08-04-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। অসম বিধানসভা নিৰ্বাচনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে।

২। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানে হৰমুজ প্ৰণালীৰে জাহাজ চলাচল অব্যাহত ৰখাৰ অনুমতি প্ৰদান কৰিলে তেওঁ দেশ দুখনৰ মাজৰ প্ৰস্তাৱিত দুসপ্তাহৰ যুদ্ধ বিৰতিৰ বাবে সন্মত বুলি প্ৰকাশ কৰিছে।

৩। ভাৰতীয় দূৰ সংযোগ প্ৰাধিকৰণে দূৰ সংযোগ গ্ৰাহক সুৰক্ষা নিয়ন্ত্ৰণ ২০২৬ ত্ৰয়োদশ সংশোধনী নিয়মাৱলী খচৰা জাৰি কৰিছে।

৪। ভাৰতৰ পলক গুলিয়া আৰু মুকেশ নেলাৱল্লিয়ে ISSF বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতাৰ ১০ মিটাৰ এয়াৰ পিষ্টল শিতানৰ দলীয় শাখাত সোণৰ পদক অৰ্জন কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা গুৱাহাটীত অনুষ্ঠিত এখন বৰ্ষাবিঘ্নিত খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক ২৭ ৰানত পৰাস্ত কৰে।

ooooo

অসম বিধানসভা নিৰ্বাচনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ একেটা পৰ্যায়তে ভোটগ্ৰহণ কৰা হ'ব। এইবাৰ ৰাজ্যত ২ কোটি ৫০ লাখ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ ভিতৰত ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে ১০০ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত শান্তি শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবা শতাধিক কোম্পানী নিয়োগ কৰা হৈছে। ৰাজ্যখনৰ ভিতৰত দৰং জিলাৰ দলগাওঁ সমষ্টিত সৰ্বাধিক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আমৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথি পত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰসাৰগাৰ আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ কৰি তোলাৰ বাবে

৩০টা নতুন পদক্ষেপ লৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনত পোলিং এজেণ্টৰ আসনৰ ব্যৱস্থা সন্দৰ্ভত কোনো নতুন নিৰ্দেশনা জাৰি কৰা হোৱা নাই বুলি নিৰ্বাচন আয়োগে স্পষ্ট কৰি দিছে। ভোটগ্ৰহণৰ দিনটোত বিভিন্ন ৰাজনৈতিক দলৰ পোলিং এজেণ্টক ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত বহিবলৈ দিয়া নহ'ব বুলি দাবী কৰি একাংশ সংবাদ মাধ্যমত বাতৰি প্ৰচাৰ হোৱাৰ পাছত আয়োগে এই বিষয়ে উল্লেখ কৰিছে। পোলিং এজেণ্ট সম্পৰ্কীয় বৰ্তমানৰ সকলো নিৰ্দেশনা কোনো পৰিৱৰ্তন নোহোৱাকৈ বলবৎ হৈ থাকিব বুলি আয়োগে প্ৰকাশ কৰিছে।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানে হৰমুজ প্ৰণালীৰে জাহাজ চলাচল অব্যাহত ৰখাৰ অনুমতি প্ৰদান কৰিলে তেওঁ দেশ দুখনৰ মাজৰ প্ৰস্তাৱিত দুসপ্তাহৰ যুদ্ধ বিৰতিৰ বাবে সন্মত বুলি প্ৰকাশ কৰিছে। শ্ৰীট্ৰাম্পে সামাজিক মাধ্যম যোগে কয়, যে দুয়ো পক্ষই দ্বিপাক্ষিক যুদ্ধ বিৰতিৰ বাবে সন্মত হোৱা উচিত। তেওঁ লগতে আমেৰিকাই ইয়াৰ সামায়িক লক্ষ্যত উপনীত হোৱা আৰু শীঘ্ৰে সংঘৰ্ষৰ অৱসান ঘটিব বুলি দাবী কৰে। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে ইৰাণে হৰমুজ প্ৰণালী পুনৰ মুকলি কৰি দিয়াকে ধৰি অন্য দাবীসমূহৰ প্ৰতি সন্মতি প্ৰকাশ নকৰিলে পাৰমাণৱিক প্ৰকল্পৰ লেখীয়া গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিসমূহক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হ'ব বুলি সকীয়াই দিছিল। তেওঁ ইয়াৰ বাবে ভাৰতীয় সময় অনুসৰি আজি পুৱা চাৰে ৫ বজা বান্ধি দিছিল।

ইপিনে, ইৰাণৰ বিদেশ মন্ত্ৰী ছৈয়দ আববাছ অৰাঘছিয়ে দেশখনৰ বিৰুদ্ধে আক্ৰমণ বন্ধ কৰিলেহে তেওঁলোক যুদ্ধ বিৰতিৰ প্ৰতি সন্মত হ'ব বুলি ঘোষণা কৰিছে। তেওঁ কয়, যে এনে হ'লে দুসপ্তাহেৰে হৰমুজ প্ৰণালীৰে নিৰাপদ আহ-যাহ সম্ভৱ হৈ উঠিব।

ইফালে, ডোনাল্ড ট্ৰাম্পে দুসপ্তাহৰ বাবে চৰ্ত সাপেক্ষ যুদ্ধবিৰতিৰ ঘোষণা কৰাৰ পাছত গোলকীয় বজাৰত তেলৰ মূল্য যথেষ্ট হ্ৰাস পাইছে। ব্ৰেন্ত ক্ৰুড নামৰ খাৰুৱা তেল বিধৰ মূল্য প্ৰতি বেৰলৰ ৫ দশমিক ৮ শতাংশ হ্ৰাস পাই ১০৩ দশমিক ৪-২ ডলাৰ হৈছে। আমেৰিকাৰ বজাৰত বিক্ৰী হোৱা তেলৰ মূল্য প্ৰায় ৮ শতাংশ হ্ৰাস পাই ১০৩ দশমিক ২-৫ ডলাৰ হৈছে।

০০০০০

ইৰাণৰ দ্ৰুত পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বৰ্তমান দেশখনত থকা ভাৰতীয় নাগৰিকসকলক অধিক গতিবিধিৰ পৰা বিৰত থাকি নিজা স্থানতে আশ্ৰয় গ্ৰহণৰ পৰামৰ্শ দিছে। পৰামৰ্শাৱলীত মন্ত্ৰালয়ে কৈছে যে ইৰাণৰ ভিতৰত আৰু ইৰাণৰ সীমান্ত অতিক্ৰম কৰা যিকোনো গতিবিধি তেহৰাণত থকা ভাৰতীয় দূতাবাসৰ পৰা স্পষ্ট নিৰ্দেশনা লাভ কৰাৰ পাছতহে বিবেচনা কৰিব পৰা যায়।

ইপিনে ইৰাণত থকা ভাৰতীয় দূতাবাসে আজিও ইৰাণত থকা ভাৰতীয় নাগৰিকসকলক ৪৮ ঘণ্টাৰ বাবে য'তেই আছে, তাতেই থাকিবলৈ পৰামৰ্শ দিছে। নাগৰিকসকলক সকলোধৰণৰ বৈদ্যুতিক তথা সামৰিক পৰিসৰৰ লগতে অট্টালিকাৰ ওপৰৰ মহলা পৰিহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। স্থানীয় দূতাবাসৰ দলৰ সৈতে নিয়মীয়া যোগাযোগ ৰক্ষা কৰিবলৈ আহ্বান জনাই দূতাবাসে ভাৰতীয় নাগৰিকসকলক চৰকাৰী বাৰ্তাসমূহৰ প্ৰতি সজাগ দৃষ্টি ৰাখিবলৈ অনুৰোধ জনাইছে। দূতাবাসে ভাৰতীয় লোকসকলৰ সুবিধাৰ্থে চাৰিটা ফোন নম্বৰো প্ৰকাশ কৰিছে। এই নম্বৰকেইটা হ'ল ০৯৮৯১২৮১০৯১১৫, ০৯৮৯১২৮১০৯১০৯, ০৯৮৯১২৮১০৯১০২ আৰু ০৯৮৯৯৩২১৭৯৩৫৯। দূতাবাসক cons.tehran@mea.gov.in ইমেইল আই ডিৰ জৰিয়তেও যোগাযোগ কৰিব পাৰিব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰা আৰু জৰুৰীকালীন সঁহাৰি শক্তিশালী কৰাৰ লক্ষ্যৰে লোৱা সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে কুৱেইটৰ আভ্যন্তৰীণ মন্ত্ৰালয়ে দেশখনৰ নাগৰিক আৰু বাসিন্দাসকলক নিশাৰ সময়ছোৱাত ঘৰৰ ভিতৰতে থাকিবলৈ আহ্বান জনাইছে। অতি প্ৰয়োজন হ'লেহে বাসিন্দাসকলক ঘৰৰ পৰা ওলাই যাবলৈ আহ্বান জনোৱা হৈছে। সাম্প্ৰতিক প্ৰতিৰক্ষামূলক অভিযানক সমৰ্থন কৰা, সুস্থিৰতা বৰ্তাই ৰখা আৰু বৰ্তমানৰ পৰিস্থিতিত জনসাধাৰণক সুৰক্ষিত কৰি ৰখাই এই পদক্ষেপৰ উদ্দেশ্য বুলি মন্ত্ৰালয়ে উল্লেখ কৰে।

০০০০০

ভাৰতীয় দূৰ সংযোগ প্ৰাধিকৰণে দূৰ সংযোগ গ্ৰাহক সুৰক্ষা নিয়ন্ত্ৰণ ২০২৬ ত্ৰয়োদশ সংশোধনী নিয়মাৱলী খচৰা জাৰি কৰিছে। ইয়াৰ জৰিয়তে অকল ভইচ আৰু এছ এম এছ সেৱাৰ বাবে ৰিচাৰ্জ পেক অনিবাৰ্য কৰিব বিচৰা হৈছে। সেই অনুসৰি এতিয়াৰে পৰা দূৰ সংযোগ কোম্পানীসমূহে কল আৰু এছ এম এৰ বাবে কম খৰচী সুকীয়া ভাউচাৰ প্ৰৱৰ্তন কৰিব লাগিব। কলিং আৰু এছ এম এছ সেৱাৰ সুবিধা গ্ৰহণ কৰা আৰু ইণ্টাৰনেট সেৱাৰ বাবে অতিৰিক্ত ধন আদায় দিব নিবিচৰা গ্ৰাহকসকলক সকাহ প্ৰদান কৰাই এই নিয়মাৱলীৰ মূল উদ্দেশ্যে। ডাটা সেৱাৰ সুবিধা বিহীন এই নতুন ভাউচাৰৰ মূল্য আনুপাতিকভাৱে কম হ'ব। এই খচৰা নিয়মাৱলী সন্দৰ্ভত সকলো পক্ষৰ পৰা ২৮ এপ্ৰিলৰ ভিতৰত দিহা-পৰামৰ্শ বিচৰা হৈছে।

০০০০০

বৈদেশিক সচিব বিক্ৰম মিশ্ৰী আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন ডি চিলৈ ৰাওনা হ'ব। ভ্ৰমণৰ সময়চোৱাত বৈদেশিক সচিবগৰাকীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বাণিজ্য, প্ৰতিৰক্ষা, বিজ্ঞান আৰু প্ৰযুক্তিকে ধৰি ভালেমান বিষয়ৰ লগতে পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক আৰু গোলকীয় উন্নয়ন সম্পৰ্কে আলোচনা কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে এই ভ্ৰমণে উভয় দেশৰ দ্বিপাক্ষিক সম্পৰ্কৰ

সকলো দিশ পৰ্যালোচনা কৰাৰ লগতে মূল ক্ষেত্ৰসমূহত চলি থকা সহযোগিতাক আগুৱাই নিয়াৰ সুযোগ প্ৰদান কৰিব। দুয়ো দেশৰ মাজত নিয়মীয়াকৈ হোৱা উচ্চ পৰ্যায়ৰ আলোচনাৰ সৈতে সংগতি ৰাখি বিগত ফেব্ৰুৱাৰীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰৰ ৱাশ্বিংটন ডি চি ভ্ৰমণৰ পাছতে শ্ৰীমিশ্ৰী আমেৰিকালৈ যাব বুলি মন্ত্ৰালয়ে জানিবকৈ দিছে।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংক, RBIয়ে আজি ইয়াৰ দ্বিমাসিক মুদ্ৰা নীতি ঘোষণা কৰিব। RBIৰ গৱৰ্ণৰ সঞ্জয় মলহোত্ৰাই আজি পুৱা ১০ বজাত মুদ্ৰা নীতি কমিটীৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথমখন বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ ঘোষণা কৰিব।

ooooo

ভাৰতৰ পলক গুলিয়া আৰু মুকেশ নেলাৱল্লিয়ে কালি স্পেইনত অনুষ্ঠিত ISSF বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতাত ১০ মিটাৰ এয়াৰ পিষ্টল শিতানৰ দলীয় শাখাত নতুন জুনিয়ৰ বিশ্ব অভিলেখেৰে সোণৰ পদক অৰ্জন কৰে। পলক আৰু মুকেশে ফাইনেলত মুঠ ৪৮৭ দশমিক ৭ পইণ্ট অৰ্জন কৰে আৰু উজবেকিস্তানৰ নিগিনা চইডকুল'ভা আৰু মুখন্মদ কামাল'ভৰ ৪৮১ দশমিক ৩ পইণ্টৰ অভিলেখ ভংগ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক ২৭ ৰানত পৰাস্ত কৰে। ৰাজস্থানে বান্ধি দিয়া ১৫১ ৰাণৰ প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে ৯টা উইকেট হেৰুৱাই ১২৩ ৰাণহে কৰিবলৈ সক্ষম হয়। ৰাজস্থানৰ নান্দ্ৰে বাৰ্গাৰ, সন্দীপ শৰ্মা আৰু ৰবি বিষ্ণুইয়ে ২টাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে বৰষুণ তথা সেমেকা আউটফিল্ডৰ বাবে ১১ অভাৰলৈ হ্ৰাস কৰা খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৰাজস্থান ৰয়েলছে ৩টা উইকেট হেৰুৱাই ১৫০ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ যশস্বী জয়চোৱালে ৩২টা বলত ৭৭ৰাণ কৰি আউট নোহোৱাকৈ থাকে।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহী কেপিটেলছ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**